# দিছপুৰ মহাবিদ্যালয়ত গ্ৰন্থ উন্মোচন



গুৱাহাটী, ১৯ এপ্ৰিল ঃ আজি দিছপুৰ মহাবিদ্যালয়ৰ সভাকক্ষত মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক অজিত প্ৰসাদ শৰ্মাৰ 'জ্যোতিপ্ৰসাদ আৰু নজৰুলৰ কবিতাত দেশাত্মবোধ' শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰা হয়। গ্ৰন্থখন উন্মোচন কৰে দিছপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই। উন্মোচকৰ ভাষণত অধ্যক্ষ ড° বৰাই গ্ৰন্থখন এখন গৱেষণামূলক গ্ৰন্থ বুলি অভিহিত কৰে। লগতে পৰৱৰ্তী সময়ত মহাবিদ্যালয়ৰ সকলো শিক্ষক-শিক্ষয়িত্ৰীকে গ্ৰন্থ লিখা আৰু প্ৰকাশৰ ক্ষেত্ৰত আগভাগ ল'বলৈ অনুৰোধ জনায়। গ্ৰন্থ উন্মোচনী অনুষ্ঠানত মহাবিদ্যালয়ৰ সকলো শিক্ষক-শিক্ষয়িত্ৰী উপস্থিত থাকে।